**Case No: SLP 2504**

*Translated by : Jahnavi Gogoi*
*Examined by: Ditimoni Gogoi*

<u>অ-প্ৰতিবেদনযোগ্য</u>

ভাৰতৰ উচ্চতম ন্যায়ালয়

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ

<u>বিশেষ অনুমতি আবেদন(ফৌজদাৰী)নম্বৰ ২৫০৪/২০২৩</u>

অখিল গগৈ ................ আবেদনকাৰী(সকল)

বনাম

(ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা)আৰু অন্যান্য............ প্ৰতিবাদী(সকল)

<u>ৰায়</u>

<u>ভি. ৰামসুব্ৰমনিয়ান, ন্যায়াধীশ</u>

১. চৰকাৰৰ (ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ) দ্বাৰা গৌহাটি উচ্চ ন্যায়ালয়ত দাখিল কৰা এক আপীলৰ ৰায়যোগে এনআইএ গুৱাহাটীৰ বিশেষ ন্যায়ালয়ে জাৰি কৰা মুক্তিৰ আদেশ খাৰিজ কৰাত ক্ষুব্ধ হৈ ফৌজদাৰী গোচৰৰ ১নং অভিযুক্তই এই বিশেষ অনুমতি আবেদন দাখিল কৰিছে।

২. আমি আবেদনকাৰীৰ হৈ যুক্তি প্ৰদৰ্শন কৰা জ্যেষ্ঠ অধিবক্তা হুজেফা আহমাদী আৰু প্ৰতিবাদী পক্ষৰ হৈ ওকালতি কৰা চলিছিটৰ জেনেৰেল শ্ৰী তুষাৰ মেহতা আৰু অতিৰিক্ত ছলিচিটৰ জেনেৰেল শ্ৰীমতী ঐশ্বৰ্য ভাটীৰ যুক্তিসমূহ শুনিলো।

৩. আইনবিৰোধী কাৰ্য-কলাপ( প্ৰতিৰোধ ) আইন, ১৯৬৭ৰ দফা ১৮ আৰু ৩৯ৰ লগতে ফৌজদাৰী কাৰ্যবিধি আইন, ১৮৬০ চনৰ দফা ১২০বি, ১২৪এ, ১৫৩এ আৰু ১৫৩বিৰ অধীনত দণ্ডনীয় অপৰাধৰ বাবে আবেদনকাৰী আৰু আন তিনিজনৰ বিৰুদ্ধে ১৩-১২-২০১৯ তাৰিখে চানমাৰী গোচৰ নং ১৬৮৮/২০১৯ পঞ্জীয়ন কৰা হৈছিল।এন আই এ গোচৰটো হাতত লয় আৰু এজাহাৰৰ সংক্ৰান্তত আৰ চি ১৩/২০১৯/এন আই এ [কৃষক মুক্তি সংগ্ৰাম সমিতি-চিপিআই(মাওবাদী)]সম্পৰ্কিত গোচৰ হিচাপে পুনৰ এক গোচৰ পঞ্জীয়ন কৰা হয় ।

৪. ১৭.১২.২০১৯ তাৰিখে আবেদনকাৰীক গ্ৰেপ্তাৰ কৰা হয় আৰু ২৯.০৫.২০২০ তাৰিখে অভিযোগ পত্ৰ দাখিল কৰা হয়।

৫. ৭.৮.২০২০ আবেদনকাৰীয়ে জামিনৰ বাবে দাখিল কৰা আবেদন বিশেষ আদালতে নাকচ কৰিছে।উচ্চ ন্যায়ালয়তো এই আদেশৰ প্ৰতি জনোৱা প্ৰত্যাহবান বিফল প্ৰতিপন্ন হৈছে।

৬. অৱশ্যে বিশেষ (এন আই এ) আদালতে ১.৭.২০২১ তাৰিখে এক আদেশযোগে আবেদনকাৰীক মুক্তি দিয়ে।ফলস্বৰূপে আবেদনকাৰীয়ে ৫৬৭ দিন কাৰাবাস খটাৰ অন্তত মুক্তি লাভ কৰে।

৭. ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই উক্ত মুক্তিৰ আদেশক প্ৰত্যাহবান জনাই গৌহাটী উচ্চ ন্যায়ালয়ত এক আবেদন দাখিল কৰে। গৌহাটী উচ্চ ন্যায়ালয়ে ৯.২.২০২৩ তাৰিখে দিয়া এক আদেশযোগে এই আপীলত

অনুমতি প্ৰদান কৰে। এয়া আবেদনকাৰীয়ে এই বিশেষ অনুমতি আবেদনৰ সৈতে সংযোজিত কৰা উক্ত ৰায়ৰ বিপক্ষে আছিল।

৮. উল্লেখযোগ্য যে এই অপৰাধজনিত গোচৰৰ ঘটনাত ৪ জন অভিযুক্ত আছিল। বিশেষ আদালতে ১-০৭-২০২১ তাৰিখৰ আদেশ অনুসৰি চাৰিওজন অভিযুক্তক মুক্তি দিয়ে আৰু উচ্চ ন্যায়ালয়ে বিশেষ ন্যায়ালয়ৰ এই আদেশ বাতিল কৰে। সেয়েহে ২ আৰু ৩ নম্বৰ অভিযুক্ত হিচাপে সাব্যস্ত ব্যক্তিসকলে ২০২৩ চনৰ এছএলপি (ক্ৰিমিনেল) নং ২২৯২ত বিশেষ অনুমতি আবেদন দাখিল কৰে৷ উক্ত বিশেষ অনুমতি আবেদন এই আদালতত ১৭. ০২. ২০২৩ তাৰিখৰ এক আদেশত নাকচ কৰা হয় । এই আদেশত উল্লেখ কৰা হৈছেঃ

> "আবেদনকাৰীৰ হকে যুক্তি প্ৰদৰ্শন কৰা বিজ্ঞ অধিবক্তা আৰু ৰাজ্য চৰকাৰক প্ৰতিনিধিত্ব কৰা বিজ্ঞ ছলিচিটৰ জেনেৰেলৰ যুক্তি শুনাৰ পিছত আমি এই সিদ্ধান্তত উপনীত হৈছো যে উচ্চ ন্যায়ালয়ে বিশেষ ন্যায়ালয়ৰ আদেশ বাতিল কৰিছে আৰু অভিযোগ উত্থাপনৰ বিষয়টোৰ ওপৰত পুনৰ শুনানিৰ বাবে বিষয়টো বিচাৰ আদালতলৈ প্ৰেৰণ কৰিছে। সেয়েহে, চৰ্চিত বিষয়টোত এই স্তৰত কোনো হস্তক্ষেপৰ প্ৰয়োজন নাই, সেয়েহে বিশেষ অনুমতি আবেদন নাকচ কৰা হয়।
>
> যদি কোনো আবেদন বিচাৰাধীন হৈ আছে, তেনেহ'লে সেইবোৰ নিষ্পত্তি হ'ব।"

৯. ইয়াৰ পাছতে আবেদনকাৰীয়ে (এ-১) এই বিশেষ অনুমতি আবেদন দাখিল কৰে। সেয়েহে এই বিশেষ অনুমতি আবেদনৰ ক্ষেত্ৰতো একেই পৰিণতি হব৷ কিন্তু জ্যেষ্ঠ অধিবক্তা শ্ৰী হুজেফা আহমাদীয়ে যুক্তি প্ৰদৰ্শন কৰিছে যে দ্বিতীয় আৰু তৃতীয় অভিযুক্তৰ ক্ষেত্ৰত অন্য এক দিশহে পৰিস্ফূট হৈছে। বিশেষ ন্যায়ালয়ে মুক্তিৰ আদেশ দিয়াৰ পূৰ্বেই উচ্চ ন্যায়ালয়ৰ জামিন আবেদন অনুসৰি দ্বিতীয় আৰু তৃতীয় অভিযুক্তক জামিনত মুক্তি দিয়া হৈছে গতিকে তেওঁলোকৰ গ্ৰেপ্তাৰৰ কোনো আশংকা নাই৷ কিন্তু এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে জামিনৰ আবেদন নাকচ কৰাৰ ফলত আবেদনকাৰী গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে। সেয়েহে জ্যেষ্ঠ অধিবক্তাগৰাকীয়ে অনুৰোধ জনায় যে যদি আদালতে কোনো জাননী প্ৰেৰণ কৰাৰ প্ৰতি আগ্ৰহী নহয় তেন্তে আবেদনকাৰীক অন্ততঃ গ্ৰেপ্তাৰ হোৱাৰ পৰা সুৰক্ষা প্ৰদান কৰা উচিত৷

১০. ওপৰোক্ত বিষয়টোৰ সংক্ৰান্তত ন্যায়ালয়ে সীমিত উদ্দেশ্যেৰে এই বিশেষ ছুটিৰ আবেদন এডমিশ্যন পৰ্যায়লৈ অনুমতি প্ৰদান কৰিছে। এই বিশেষ অনুমতি আবেদনত ২১. ০২. ২০২৩ তাৰিখৰ আদেশ স্ব-ব্যাখ্যামূলক আৰু ইয়াক নিম্নোক্ত ধৰণে পুণৰুথাপন কৰা হৈছেঃ-

"বিবাদিত ৰায় অনুসৰি গ্ৰেপ্তাৰৰ পৰা আবেদনকাৰীক সুৰক্ষা প্ৰদান কৰাৰ সীমিত উদ্দেশ্যৰ বাবে ২৪-০২-২০২৩ তাৰিখে ঘূৰি অহাকৈ ৰাজ্য চৰকাৰ (ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা)ৰ স্থায়ী পৰামৰ্শদাতালৈ জাননী প্ৰেৰণ কৰা হওঁক

ইয়াৰ মাজতে, ১৪-১২-২০১৯ তাৰিখে আৰ চি-১৩-২০১৯-এন আই এ নম্বৰযোগে গুৱাহাটীস্থিত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰ সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱাৰ পৰা আবেদনকাৰীয়ে সুৰক্ষা লাভ কৰিব।

১১. সেইবাবে শুনানিত আমি কেৱল গ্ৰেপ্তাৰৰ পৰা সুৰক্ষা পোৱাৰ ক্ষেত্ৰত আগবঢ়োৱা যুক্তিসমূহহে শুনিলো।

১২. গ্ৰেপ্তাৰৰ বিৰুদ্ধে সুৰক্ষাৰ আবেদনৰ তীব্ৰ বিৰোধিতা কৰি ছলিচিটৰ জেনেৰেল শ্ৰী তুষাৰ মেহতাই এইবুলি যুক্তি দিয়ে যে তাত আবেদনকাৰীৰ বিৰুদ্ধে প্ৰায় ৬৪ খন এজাহাৰ দাখিল হৈ আছে; যে আবেদনকাৰী হৈছে এটা সন্ত্ৰাসবাদী সংগঠনৰ নেতা যি যুৱক-যুৱতীসকলক হিংসাত্মক কাৰ্যকলাপৰ প্ৰতি উতসাহিত কৰে আৰু প্ৰশিক্ষণ প্ৰদান কৰোৱায়; যে আবেদনকাৰীৰ জামিন আবেদন এই আদালতৰ দ্বাৰা বৰ্খাস্ত কৰা হৈছে; যে ০১.০৭.২০২১ তাৰিখে আবেদনকাৰীক ভুল আদেশ অনুসৰি মুক্তি দিয়া হৈছিল গতিকে উচ্চ ন্যায়ালয়ে উক্ত মুক্তিৰ আদেশ অগ্ৰাহ্য কৰাৰ লগে লগে আবেদনকাৰীয়ে ভুলবশতঃ লাভ কৰা উক্ত মুক্তিৰ আদেশ যিকোনো অৱস্থাতে নাকচ হৈ পৰিছে; গতিকে উক্ত মুক্তিৰ আবেদন প্ৰক্ৰিয়া ভুল আদেশৰ ফলস্বৰূপে আবেদনকাৰীয়ে লাভ কৰা মুক্তিৰ ফল লাভৰ পৰাও বঞ্চিত হব আৰু যিকোনো ক্ষেত্ৰতে, এই আদালতে এই বিশেষ ছুটিৰ অনুমতি দিব নোৱাৰে আৰু মুক্তি আবেদনৰ পৰা উদ্ভৱ হোৱা আবেদন জামিন আবেদনলৈ সলনি কৰিব লাগিব। ছলিচিটৰ জেনেৰেলৰ মতে, ওপৰোক্ত বিশেষ ছুটিৰ আবেদনখন খাৰিজ হোৱাৰ যোগ্য আৰু আইনে এইক্ষেত্ৰত নিজা পথ ল'বলৈ অনুমতি দিছে আৰু যদি প্ৰক্ৰিয়াটো চলি থকা অৱস্থাত আবেদনকাৰী গ্ৰেপ্তাৰ হয়, তাৰ প্ৰতিকাৰস্বৰূপে আবেদনকাৰীয়ে নতুন জামিন আবেদন দাখিল কৰিব লাগিব।

১৩. ছলিচিটৰ জেনেৰেলগৰাকীয়ে এনআইএ আস্থাত লোৱা সাক্ষীসকলৰ বিবৃতিৰ প্ৰতিও আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু যুক্তি দৰ্শাইছে যে আবেদনকাৰী কোনো সহানুভূতিৰ যোগ্য নহয়।

১৪. ইয়াৰ উত্তৰত জ্যেষ্ঠ আইনজীৱী হুজেফা আহমেদীয়ে যুক্তি দাঙি ধৰিছে যে আবেদনকাৰীয়ে ইতিমধ্যে ১৭.১২.২০১৯ তাৰিখৰ পৰা ০১.০৭.২০২১ তাৰিখলৈকে চাৰে ১৮ মাহ বন্দিত্ব কটাইছে; যে মুক্তিৰ আবেদনৰ পিছত আবেদনকাৰী যোৱা ছমাহৰ বাবে এজন মুক্ত ব্যক্তি; যে আবেদনকাৰী ২০২১ চনত অনুষ্ঠিত নিৰ্বাচনত নিৰ্বাচিত হোৱা অসম বিধান সভাৰ এজন সদস্য; যে যিখন এজাহাৰৰ পৰা বৰ্তমানৰ প্ৰক্ৰিয়াটো উদ্ভৱ হৈছে, সেইয়া নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯ৰ বিৰুদ্ধে কেইবাটাও ৰাজনৈতিক দল আৰু স্বতন্ত্ৰ সংগঠনে আয়োজন কৰা হিংসাত্মক পদ্ধতিৰ প্ৰতিবাদৰ সৈতে সম্পৰ্কিত, যে আবেদনকাৰীয়ে প্ৰচাৰ কৰা বুলি অভিযোগ কৰা মাওবাদী মতাদৰ্শক কেন্দ্ৰ কৰি উঠা অভিযোগসমূহ ২০০৯ চনত আবেদনকাৰীয়ে কৰা কিছুমান বিবৃতিৰ সৈতে জড়িত; যে আৱেদনকাৰীৰ দ্বাৰা কৰা সেই বিবৃতিবোৰ সঁচা হ'লেও অতি পুৰণি আছিল যাৰ বৰ্তমানৰ এজাহাৰৰ দাখিলৰ লগত জড়িত ঘটনাবোৰৰ সৈতে কোনো ঘনিষ্ঠতা নাই; যে আনকি উচ্চ ন্যায়ালয়ৰ বিবাদিত ৰায়ৰ দফা ২৬-ত উল্লেখিত এজন সুৰক্ষিত সাক্ষীৰ বিবৃতিয়ে স্পষ্টভাৱে দেখুৱায় যে আবেদনকাৰীয়ে হিংসাত্মক পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত কোনো ভাৱধাৰাক সমৰ্থন কৰা নাছিল; আৰু সেয়েহে,আবেদনকাৰীয়ে গ্ৰেপ্তাৰ হোৱাৰ পৰা সুৰক্ষা লাভ কৰিব লাগে।

১৫.আমি বিপক্ষৰ যুক্তিসমূহো সাৱধানেৰে পৰ্যবেক্ষণ কৰিছো।

১৬. আমি বিপক্ষৰ বিৰোধিতাসমূহক বিবেচনা কৰাৰ আগতে মন কৰিব লাগিব যে উচ্চ ন্যায়ালয়ে বিশেষ ন্যায়ালয়ে দিয়া মুক্তিৰ আদেশটো দুটা কাৰণত সলনি কৰিছে বুলি জনাব লাগিব, যেতিয়া

(i) অভিযুক্ত ব্যক্তিজনে শেষ মুহূৰ্তত দাখিল কৰা লিখিত স্বীকাৰোক্তিৰ প্ৰত্যুত্তৰ দিবলৈ বিশেষ ন্যায়ালয়ে প্ৰয়োজনীয় সুযোগ দিয়া নাছিল, যিটো প্ৰায় ১২২৫ পৃষ্ঠাজোৰা আছিল, আৰু (ii) অভিযোগ গঠন হোৱাৰ সময়ত বিশেষ ন্যায়ালয়ে সবিশেষ বিৱৰণ দিব নালাগিছিল। যিহেতু উচ্চ ন্যায়ালয়ে কেৱল এই দুয়োটা কাৰণৰ ভিত্তিত মুক্তিৰ আদেশ সলনি কৰিছে, উচ্চ ন্যায়ালয়ে এই বিষয়টো পুনৰ বিবেচনাৰ বাবে বিশেষ ন্যায়ালয়লৈ পুনৰ ঘূৰাই পঠায়।

১৭. এই সন্দৰ্ভত বিবাদিত আদেশৰ ৫৩ অনুচ্ছেদটো তলত উল্লেখ কৰাতো প্ৰাসংগিক হ'বঃ

“৫৩. ইয়াৰ বাবে আমি এনআইএৰ বিশেষ ন্যায়াধীশৰ দ্বাৰা সম্পূৰ্ণ বিষয়টোক পুনৰ বিবেচনাৰ দাবী জনাইছোঁ। সেই অনুসৰি আমি ০১-০৭-২০২১ তাৰিখৰ বিবাদিত আদেশটো বাতিল কৰিছো আৰু চাৰিজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগ উত্থাপন সম্পৰ্কীয় প্ৰশ্নটোৰ ওপৰত বিষয়টোৰ পুনৰ শুনানিৰ বাবে বিচাৰ আদালতক পুনৰ ঘূৰাই পঠায়। ইয়াৰ ফলত সকলো বা কোনো অভিযুক্তৰ বিৰুদ্ধে অভিযোগ গঠন কৰা তথ্যৰ অস্তিত্ব বা অন্যথা সম্পৰ্কে ওপৰত দিয়া মতামতৰ ওপৰত ভিত্তি কৰি বিশেষ ন্যায়াধীশজনে নতুন কাৰণ লিপিবদ্ধ কৰিব পাৰিব। এনআইএৰ বিশেষ ন্যায়াধীশেও এইটো বিবেচনা কৰিব পাৰিব যে এই ক্ষেত্ৰত অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে ইউএ (পি) আইনৰ অধীনত অভিযোগ গঠন কৰিব পাৰি নে কেৱল আইপিচিৰ অধীনত সকলো বা কোনো অভিযুক্তৰ বিৰুদ্ধে অভিযোগ আনিব পাৰি। এনে ক্ষেত্ৰত, যদি এইটো দেখা যায় যে অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে ইউএ (পি) আইনৰ কোনো বিধানৰ অধীনত অভিযোগ গঠন কৰিবলৈ সাক্ষী আৰু নথিপত্ৰ যথেষ্ট নহয়, কিন্তু আইপিচিৰ বিধানসমূহৰ অধীনত অভিযোগ গঠন কৰিবলৈ তথ্য আছে, তেন্তে নিম্নোক্ত আদালতে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আইন, ২০০৮-ৰ ধাৰা ২০-ৰ অধীনত অধিকাৰ ক্ষেত্ৰ প্ৰয়োগ কৰিব পাৰে আৰু বিষয়টোৰ অধিকাৰক্ষেত্ৰ থকা কোনো আদালতলৈ বিচাৰৰ বাবে বিষয়টো স্থানান্তৰ কৰিব পাৰে।

১৮. ওপৰত উল্লেখ কৰা বিবাদিত আদেশৰ কাৰ্যকৰী অংশৰ পৰা এইটো স্পষ্ট যে এই বিষয়টো বৰ্তমানলৈকে অধিক গুৰুত্বপূৰ্ণ। বিশেষ ন্যায়ালয়ে এতিয়া দুয়োপক্ষকে শুনিব লাগিব আৰু সকলো বা কোনো অভিযুক্তৰ বিৰুদ্ধে অভিযোগ গঠন হ'ব পাৰে নে নাই আৰু যদি পাৰে আইনৰ কোনটো বিধানৰ অধীনত পাৰে সেই বিষয়ে নতুনকৈ সিদ্ধান্ত ল'ব লাগিব। এই সন্দৰ্ভত আবেদনকাৰীক হেফাজতত পঠিয়াব লাগে নে নাই সেইটো বিবেচনা কৰিব লাগিব।

১৯. এটা কথা সত্য যে তদন্ত বিচাৰাধীন হৈ থকা সময়ছোৱাত আবেদনকাৰীয়ে জামিনৰ বাবে দাখিল কৰা আবেদন এই আদালততো নাকচ কৰা হৈছিল। কিন্তু জ্যেষ্ঠ পৰামৰ্শদাতা শ্ৰী হুজেফা আহমেদীয়ে সঠিকভাৱে উল্লেখ কৰিছে যে উচ্চ ন্যায়ালয়ে ১১. ০২. ২০২১ তাৰিখে দিয়া এক আদেশত কয় যে এই পৰ্যায়ত আবেদনকাৰীক জামিন দিব নোৱাৰিব। সেয়েহে, তদন্ত বিচাৰাধীন হৈ থকা সময়ত জামিনৰ আবেদন নাকচ হোৱা কথাটো আবেদনকাৰীয়ে এতিয়া গ্ৰেপ্তাৰ হোৱাৰ পৰা সুৰক্ষা লাভ কৰিবৰ বাবে কৰা প্ৰাৰ্থনা নাকচ হোৱাৰ কোনো ভিত্তি হ'ব নোৱাৰে।

২০. বিজ্ঞ চলিছিটৰ জেনেৰেলে দাবী কৰা এই কথাটো সঁচা যে এই বিশেষ অনুমতি আবেদনৰ ক্ষেত্ৰত কেৱল এটাহে প্ৰশ্ন জড়িত হৈ আছে আৰু সেইটো হৈছে — বিশেষ ন্যায়ালয়ে প্ৰদান কৰা মুক্তিৰ আদেশৰ বিপৰীতে দিয়া ৰায় সঠিক হয় নে নহয়। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ন্যায়ালয়ে এক ডাঙৰ সকাহৰ অনুৰোধ নাকচ কৰাৰ সময়ত ক্ষুদ্ৰ সকাহৰ কথা বিবেচনা কৰিব নোৱাৰে।

২১. আবেদনকাৰীয়ে স্বীকাৰ কৰিছে যে ১৭. ১২. ২০১৯ ৰ পৰা ১. ০৭. ২০২১ লৈকে ৫৬৭ দিন বন্দী অৱস্থাত আছিল। বিগত ২১ মাহতকৈ অধিক সময় ধৰি তেওঁ এজন মুক্ত মানুহ হিচাপে চলা-ফুৰা কৰি আহিছে। উল্লেখ্য যে তেওঁৰ মুক্তি জামিন আদেশৰ দ্বাৰা সুৰক্ষিত হোৱা নাই, বৰঞ্চ বিশেষ ন্যায়ালয়ে যি মুক্তি দিয়াৰ আদেশ জাৰি কৰিছিল তাৰ দ্বাৰাহে হৈছিল আৰু উচ্চ ন্যায়ালয়ে সেই আদেশৰ ৰায়ৰ বিপৰীতেই ৰায়দান কৰিছিল।২১ মাহৰ এই সময়ছোৱাত, আবেদনকাৰী এজন মুক্ত ব্যক্তি আছিল আৰু সেই সময়ছোৱাত তেওঁ কোনো বেআইনী কাৰ্যকলাপত লিপ্ত হোৱা দেখুৱাব পৰাকৈ কোনো তথ্য নাই। ইয়াৰ

বিপৰীতে ২০২১ চনত আবেদনকাৰী বিধানসভালৈ নিৰ্বাচিত হৈছিল আৰু তেওঁ এতিয়া বিধানসভাৰ এজন সদস্য।

২২. প্ৰতিৰোধমূলক আটকৰ বাহিৰে, এজন ব্যক্তিক আৰক্ষী/ন্যায়িক জিম্মাত আটক কৰাৰ উদ্দেশ্য হৈছে নিৰপেক্ষ আৰু সঠিক তদন্তৰ সুবিধা প্ৰদান কৰা বা দোষী সাব্যস্ত হোৱাৰ পিছত শাস্তি প্ৰদান কৰা। এই ক্ষেত্ৰত (i) তদন্ত সম্পূৰ্ণ হ'ল আৰু (ii) আৱেদনকাৰী এতিয়াও দোষী সাব্যস্ত হোৱা অপৰাধী নহয়। সেয়েহে আমি নাভাবোঁ যে তেওঁক পুণৰ জিম্মাত লোৱাৰ বাবে বিশেষ আদালতক অনুমতি প্ৰদান কৰি আৰু জামিনৰ বাবে আবেদন দাখিল কৰিবলৈ সুবিধা দিয়াৰ ফলত কিবা সুফল লাভ হব।

২৩. প্ৰকৃততে, ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত আবেদনকাৰীৰ অপৰাধৰ অভিযোগৰ বিৰুদ্ধে কেৱল ৩ বছৰলৈকে কাৰাবাসৰ শাস্তিৰে দণ্ডনীয়। কেৱল বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইনৰ অধীনত অভিযোগ কৰা অপৰাধবোৰতহে অধিক দীঘলীয়া সময় কাৰাদণ্ডৰে দণ্ডিত কৰা হয়। যদি কেৱল ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত সংঘটিত অপৰাধসমূহক বিবেচনাত লোৱা হয়, আবেদনকাৰীয়ে সংশ্লিষ্ট বিধানসমূহৰ অধীনত নিৰ্ধাৰিত সময়সীমাতকৈ অধিক সময়ৰ বাবে বন্দী হিচাপে সেৱা আগবঢ়াইছে। সেয়েহে, এই গোচৰটো এনে নহয় য'ত আবেদনকাৰীক জিম্মাত ৰখা অৱস্থাত আটক কৰাৰ অনুমতি দিব লাগে, বিশেষকৈ, যেতিয়া শুদ্ধভাৱেই হওক বা ভুলভাৱেই হওক মুক্তিৰ আদেশ লাভ কৰা হৈছে।

২৪. ওপৰোক্ত দিশটোৰ প্ৰতি লক্ষ্য ৰাখি, আমাৰ মতামত হ'ল যে চানমাৰি গোচৰ নং ১৬৮৮/২০১৯, যিটো এনআইএ-ৰ দ্বাৰা আৰচি-১৩/২০১৯/এনআইএ-জিইউডব্লিউ [কেএমএছএছচিপিআই (মাওবাদী)] হিচাপে পুনৰ পঞ্জীয়ন কৰা হৈছে, সেই গোচৰৰ এজাহাৰ সন্দৰ্ভত আবেদনকাৰীৰ গ্ৰেপ্তাৰ আৰু আটক হোৱাৰ পৰা সুৰক্ষা লাভ কৰাৰ অধিকাৰ আছে।

২৫. সেয়েহে, (i) উচ্চ ন্যায়ালয়ৰ ৰায়ক সকলো ফালৰ পৰাই সুনিশ্চিত কৰা, কিন্তু (ii) গুৱাহাটীৰ বিশেষ ন্যায়ালয়ে (এনআইএ) ধাৰ্য কৰা চৰ্তসমূহৰ ভিত্তিত বিচাৰ চলি থকা অৱস্হাত জামিনত আবেদনকাৰীক মুক্তি দিয়াৰ নিৰ্দেশ প্ৰদানেৰে এই বিশেষ অনুমতি আবেদনখন নিষ্পত্তি কৰা হৈছে। ব্যয়ৰ সন্দৰ্ভত কোনো আদেশ নাথাকিব।

......................................জে

(ভি ৰামাচুব্ৰামানিয়ান)

......................................জে

(পংকজ মিথাল)

নতুন দিল্লী

১৮ এপ্ৰিল, ২০২৩।

ক্ৰমিক নং১৫০২ আদালত নং ১৫ খণ্ড ॥

ভাৰতৰ উচ্চতম ন্যায়ালয়

প্ৰতিবেদনৰ তথ্য

আপীল (ক্ৰিমিনেল) (নং) ২৫০৪/২০২৩ বাবে বিশেষ ৰেহাইৰ বাবে আবেদন

(০৯-০২-২০২৩ ত ক্ৰিমিনেল নং ১২১/২০২১ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰা প্ৰদান কৰা চূড়ান্ত বিবাদিত ৰায় আৰু আদেশৰ পৰা উত্থাপিত)

অখিল গগৈ আবেদনকাৰী (সকল)

বনাম

চৰকাৰ (ৰাষ্ট্ৰীয় তদন্ত সংস্থা) আৰু অন্যান্য প্ৰতিবাদী (সকল)

শুনানি : মহামান্য ন্যায়াধীশ ভি. ৰামাসুব্ৰামানিয়ান আৰু ন্যায়াধীশ পঙ্কজ মিথাল)

(পঞ্জীয়ন আৰু আইএ নং ৩৮৬৮৩/২০২৩-ৰ বাবে অতিৰিক্ত দস্তাবেজ/তথ্য/ পৰিশিষ্ট দাখিল কৰাৰ অনুমতি)

তাৰিখঃ ১৮-০৪-২০২৩ তাৰিখে ৰায় প্ৰদানৰ বাবে এই আবেদনখন আজি দাখিল কৰা হৈছে।

আবেদনকাৰীৰ হৈ: শ্ৰীযুত হুজেফা আহমাদী, জ্যেষ্ঠ অধিবক্তা

শ্ৰীযুত নিনাদ লাউড,অধিবক্তা

শ্ৰীযুত শান্তনু বৰঠাকুৰ, অধিবক্তা

শ্ৰীযুত ইভো ডি'কোস্টা, অধিবক্তা

শ্ৰীযুত কৰণ মাথুৰ,অধিবক্তা

শ্ৰীযুত ছাহিল টাগোট্ৰা, এঅ'আৰ

প্ৰতিবাদীৰ হৈ : শ্ৰীযুত তুষাৰ মেহতা, ছলিচিটৰ জেনেৰেল

শ্ৰীযুতা ঐশ্বৰ্য ভাটী, এএছজি

শ্ৰীযুত কানু আগৰৱাল, অধিবক্তা

শ্ৰীযুত শুভদীপ ৰাওয়, অধিবক্তা

শ্ৰীযুতা চিত্ৰাঙ্গদা ৰাষ্ট্ৰৱাড়া, অধিবক্তা।

শ্ৰীযুত ৰোস্তম সিং চৌহান, অধিবক্তা

শ্ৰীযুতা বি. এল. এন. শিবানী, অধিবক্তা

শ্ৰী অৰবিন্দ কুমাৰ শৰ্মা, এঅ’আৰ

মহামান্য ন্যায়াধীশ ভি. ৰামাসুব্ৰমণিয়নে মহামান্য ন্যায়াধীশ পঙ্কজ মিথাল আৰু তেওঁৰ দ্বাৰা গঠিত ন্যায়াধীশৰ পীঠৰ দ্বাৰা এই ৰায় প্ৰদান কৰে।

স্বাক্ষৰিত অ–প্ৰতিবেদনযোগ্য ৰায় হিচাপে বিশেষ অনুমতি আবেদনখন নিষ্পত্তি কৰা হৈছে। বিচাৰৰ কাৰ্যকৰী অংশটো নিম্নলিখিত ধৰণৰ:

“২৫.সেয়েহে, (i) উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক সকলো ক্ষেত্ৰত সুনিশ্চিত কৰা, কিন্তু (ii) গুৱাহাটীৰ বিশেষ ন্যায়ালয়ে (এনআইএ) ধাৰ্য কৰা চৰ্তসমূহৰ ভিত্তিত বিচাৰ চলি থকা জামিনত আবেদনকাৰীক মুক্তি দিয়াৰ নিৰ্দেশ প্ৰদানেৰে এই বিশেষ অনুমতি আবেদনখন নিষ্পত্তি কৰা হৈছে। ব্যয়ৰ সন্দৰ্ভত কোনো আদেশ নাথাকিব।“

যদি কোনো আবেদন বিচাৰাধীন হৈ আছে, তেনেহ’লে সেইবোৰ নিষ্পত্তি কৰা হ’ব।

| | |
|---|---|
| পূজা শৰ্মা | ৰেণু বালা গম্ভীৰ |
| কোৰ্ট মাষ্টৰ (এচ এইছ)) | কোৰ্ট মাষ্টাৰ (এন এচ এইছ) |

(স্বাক্ষৰিত অ–প্ৰতিবেদনযোগ্য ৰায় ফাইলত দিয়া আছে। )

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“